# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সংসদৰ চলিত অধিবেশনক ভাৰতৰ বিজয় উৎসৱ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত মন্তব্য কৰে। লোকসভাত আজি অপাৰেচন সিন্দুৰ সন্দৰ্ভত হোৱা আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বৰ কোনো নেতাই ভাৰতক অপাৰেচন সিন্দূৰ বন্ধ কৰিবলৈ কোৱা নাছিল। শ্ৰীমোদীয়ে কয়, যে পাকিস্তানী পক্ষই এই অভিযান বন্ধ কৰিবলৈ ভাৰতৰ প্ৰতি আহ্বান জনাইছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতিৰ সৈতে হোৱা কথাবতৰাত পাকিস্তানে আক্ৰমণ কৰিলে ডাঙৰ আক্ৰমণেৰে প্ৰত্যুত্তৰ দিয়া হ'ব বুলি স্পষ্ট কৰি দিয়া হৈছিল বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অপাৰেছন সিন্দূৰৰ সময়ত ভাৰতে পাকিস্তানৰ ভিতৰলৈ গৈ সন্ত্ৰাসবাদীৰ ঘাটি ধবংস কৰিছিল। ভাৰতে পেহেলগাম আক্ৰমণৰ পাছত পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিছিল আৰু সেনা বাহিনীয়ে মাত্ৰ ২২ মিনিটৰ ভিতৰতে এই আক্ৰমণৰ প্ৰতিশোধ লৈছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ০০০

০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ পাঁচ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত দেশজুৰি ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ অধীনত জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ভাৰ্চুৱেল ব্যৱস্থাৰে এই কাৰ্যসূচীক নেতৃত্ব দিয়ে। এই কাৰ্যসূচীৰ জৰিয়তে অসমৰ ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষৰ বাবে মুঠ ২০৭টা ছাত্ৰাৱাস নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। ইয়াৰ জৰিয়তে ৮১৫ কোটি টকা ব্যয় সাপেক্ষে ২৩খন জিলাৰ ৫৪২খন গাঁৱক সামৰি লোৱা হ'ব। এই ছাত্ৰাৱাসমূহৰ স্থাপনৰ দ্বাৰা আওহতীয়া জনজাতীয় এলেকাসমূহত শিক্ষাৰ সুবিধা সূচলভাৱে প্ৰদান কৰাৰ লক্ষ্য লোৱা হৈছে। তদুপৰি শিক্ষা প্ৰদান ব্যৱস্থা সৰ্বাত্মক আৰু অবিৰত কৰাৰ লগতে বিদ্যায়তনিক ফলাফল উন্নত কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত স্থানীয় পৰ্যায়ত নিযুক্তিৰ সুবিধা বৃদ্ধি পোৱাৰ লগতে সামাজিক আন্তঃগাঁথনি শক্তিশালী হ'ব আৰু লিংগবৈষম্য দূৰ হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ কাৰ্বি আংলং জিলাত সৰ্বাধিক ৪১, ধেমাজিত ৩১ আৰু পশ্চিম কাৰ্বি আংলঙত ২৫টা এনে আৱাসৰ আধাৰশিলা স্থাপন কৰা হয়। আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিৰ গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ নেতৃত্বৰ এই কাৰ্যসূচীত অংশ লয়। ডাঃ পেগুৱে জিলাখনৰ এটা ছাত্ৰাৱাসৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যজুৰি বিভিন্ন জিলাত আজি মন্ত্ৰী-বিধায়কসকলে এই কাৰ্যসূচীত অংশ লৈ জনজাতীয় ছাত্ৰসকলৰ বাবে আৱাসিক ভৱনৰ আধাৰশিলা স্থাপন কৰে। ০০০০০

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অঞ্জনমণি কলিতা আৰু ৰাজেশ মজুমদাৰ, ন্যায়িক বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাই কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত কাইলৈ দিনৰ ১০ বজাত আয়োজিত অনুষ্ঠানত মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে তেওঁলোকক শপত গ্ৰহণ কৰোৱাব। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে এই অতিৰিক্ত ন্যায়াধীশ কেইগৰাকীৰ নিযুক্তিৰ কথা প্ৰকাশ কৰিছিল।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বাঘৰ ঘনত্বৰ দিশৰ পৰা বিশ্বৰ ভিতৰত  তৃতীয় ৰূপে পৰিগণিত হৈছে। উদ্যানখনত প্ৰতি এশ বৰ্গ কিলোমিটাৰত ১৮ টা বাঘ পোৱা গৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সঞ্চালক সোণালী ঘোষে প্ৰকাশ কৰা মতে উদ্যানখনত ১৪৮ টা প্ৰাপ্তবয়স্ক বাঘ আছে। ইয়াৰে ভিতৰত ৮৩ জনী বাঘিনী আৰু ৫৫ টা বাঘ আছে। ০০০০

০০০০

জামছেদপুৰ এফ চি আৰু শ্বিলং লাজং এফ চিয়ে ১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উভয় দলে প্ৰথম দুখন খেলত ক্ৰমাগত জয়েৰে  প্ৰতিযোগিতাৰ নক আউট পৰ্যায়ৰ যোগ্যতা অৰ্জন কৰিছে। জামছেদপুৰ এফ চিয়ে আজি ঝাৰখণ্ডৰ জামছেদপুৰৰ জে আৰ ডি টাটা ক্ৰীড়া চৌহদত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত ভাৰতীয় সেনা ফুটবল দলক ১-০ গলত পৰাস্ত কৰে। খেলখনৰ ৫২ মিনিটত চানানে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে। ইপিনে, মেঘালয়ৰ শ্বিলঙত জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ -ইৰ এখন খেলত আজি শ্বিলং লাজং এফ চিয়ে - ৰংদাজিদ ইউনাইটেড এফ চিক ৩-১ গ'লত পৰাভূত কৰে। ০০০০

০০০০

মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত সোণালী পামত ৰজা ধৰ্মনাৰায়ণ ষ্টেডিয়ামত অনুষ্ঠিত ডাঃ ৰেৱতি মোহন বৰদলৈ আৰু ৰক্তিম জ্যোতি চমুৱা  সোঁৱৰণি চুপাৰ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত চিৰসেউজ সংঘই ফাইনেলত প্ৰৱেশ কৰিছে। চিৰ সেউজ সংঘই আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত নৰ্থ মঙলদৈ ক্লাৱক ২-১ গলত পৰাস্ত কৰে। কাইলৈ হ'বলগীয়া প্ৰতিযোগিতাত দ্বিতীয়খন ছেমিফাইনেলত মুদৈবড়ী জৌংলাউৰী ক্লাব - কেহুতলী বাংগ্ৰীম ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বন বিভাগৰ কৰ্মচাৰী তথা সব্যসাচী সাংস্কৃতিক গোষ্ঠীৰ মূল জনক বিমান কুমাৰ বৰাৰ আজি বিয়লি যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৫ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ